পোৱা যায় English, Assamese + ১১টা ভাৰতীয় ভাষাত

হৈ উঠক ভাৰত এক জ্ঞানভিত্তিক অৰ্থব্যৱস্থাৰ দেশ

এই ক্ষেত্ৰত আমি পোনপ্ৰথমে বুজি লব লাগিব আমাৰ শিক্ষা জগতৰ সমগ্ৰ 'ঠাচটোৰ'' বিষয়ে। স্বাধীনতা লাভৰ আনকি ৫৯ বছৰৰ পাছতো, আমাৰ দেশৰ **মানৱ পুঁজি বিকাশ** সংক্ৰান্তত নিম্নলিখিত অৱস্থাসমূহেই বৰ্তি আছে:-

১. কে.জি.-ৰ পৰা ১০ + ২ লৈকে **স্কুল এৰি যোৱা ল'ৰা-ছোৱালীৰ হাৰ** হ'ল (যিবিলাক কোনো দিন স্কুললৈ যোৱা নাই, সেইবিলাককো ধৰি) ৯০%-ৰ পৰা ৯৪%।

২. **চীনদেশত** আছে প্ৰায় ১৮ লাখ স্কুল, আমাৰ ভাৰতত আছে প্ৰায় ১১ লাখ স্কুল।

৩. ভাৰতৰ বহুতো ৰাজ্যত চৰকাৰৰ দ্বাৰা চালিত স্কুলৰ **'শাসন-ব্যৱস্থা'** নিম্ন খাপৰ। এনে ৰাজ্যসমূহৰ চহৰ-নগৰৰ স্কুলসমূহত শিক্ষক-শিক্ষয়িত্ৰীসকল প্ৰায়ে অনুপস্থিত থাকে (অনুপস্থিতিৰ হাৰ ১৫%-ৰ পৰা ৫০%), পিছে তথাপিও তেওঁলোকে পূৰা দৰমহা-পাতি পাই থাকে। অধ্যয়নৰ পৰা দেখা গৈছে যে এনে ৰাজ্যসমূহত দৰিদ্ৰৰো দৰিদ্ৰজনে নিজৰ ল'ৰা ছোৱালীক চৰকাৰৰ বিনামূলীয়া স্কুলৰ পৰিবৰ্তে এনে অসাহায্যপ্ৰাপ্ত স্কুললৈহে পঠিয়াব বিচাৰে য'ত ফিজ ভৰিব লগীয়া হয়। এনে অসাহায্যপ্ৰাপ্ত **স্কুলৰ শিক্ষাদানৰ মান** চৰকাৰী স্কুলৰ তুলনাত যথেষ্ট উচ্চ, অথচ চৰকাৰী স্কুলৰ শিক্ষক-শিক্ষায়িত্ৰীৰ দৰমহা সাহায্যপ্ৰাপ্ত স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীতকৈ দুই-তিনিগুণ বেছি।

৪. বৰ্তমানে থকা **সাক্ষৰতাৰ ভাৰতীয় সংজ্ঞা** (আপুনি যদি নিজৰ নামটো লিখিব জানে তেন্তে আপুনি সাক্ষৰ)-ক আন্তঃৰাষ্ট্ৰীয় মানদণ্ড অনুযায়ী সংশোধন ঘটোৱা প্ৰয়োজন।

৫. এইচআৰডি মন্ত্ৰালয় অনুসৰি, আমাৰ বৰ্তমানৰ **নিৰক্ষৰতা** হ'ল মাত্ৰ ৩৭% বা ৪৩ কোটি লোক, অথচ ইউনিচেফ আৰু ইউএনডিপি অনুযায়ী ই হ'ল প্ৰায় ৬০% বা ৬৫ কোটি লোক। **চীনদেশৰ সাক্ষৰতাৰ হাৰ হ'ল প্ৰায় ৯৩%**।

৬. ভাৰতক এখন জ্ঞানভিত্তিক অৰ্থব্যৱস্থাৰ দেশলৈ পৰিণত কৰাৰ বাবে প্ৰথম পদক্ষেপ হ'ল **সাক্ষৰতা** বৃদ্ধি কৰা আৰু ইয়াক আমি দিয়া উচিত **সৰ্বপ্ৰথম অগ্ৰাধিকাৰ**।

৭. **শিক্ষাৰ বাবদ খৰচ কৰা মুঠ পৰিমাণ হ'ল বছৰি প্ৰায়** ৯১,০০০ কোটি টকা। ইয়াৰে ১৫% কেন্দ্ৰীয় চৰকাৰৰ আৰু ৮৫% ৰাজ্যিক চৰকাৰৰ। শিক্ষা উপকৰ সংগ্ৰহিত হয় বছৰি ৭,০০০ কোটি টকা। ই হ'ল জিডিপি-ৰ প্ৰায় ৩.৩%। এইচআৰডি মন্ত্ৰালয়ে হিচাপ কৰি উলিয়াইছে যে প্ৰাথমিক শিক্ষাৰ অকল অতিৰিক্ত প্ৰয়োজনীয়তা পূৰাবলৈকে আমাৰ আৱশ্যক হব পুনৰ ৪০,০০০ কোটি টকা!

৮. আমি অনুমান কৰিছো **বছৰি আন ১০০,০০০ কোটি টকাৰ প্ৰয়োজন পৰিব** কেৱল প্ৰাথমিক আৰু ১০-ম শ্ৰেণী পৰ্যন্ত মাধ্যমিক শিক্ষালৈ যথোচিত কোৱালিটী লৈ অহাৰ বাবে। এই দিশলৈকে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহে পৰবৰ্তী ১০-ৰ পৰা ২০ বছৰ ধৰি বা আমাৰ সাক্ষৰতাৰ হাৰ অতি কমেও ৯৫% নোহোৱালৈকে আৰু জনসংখ্যাৰ অতি কমেও ৮০%-এ হাইস্কুল স্তৰ বা ১০-ম শ্ৰেণী সমাপ্ত নকৰালৈকে, মন দিয়া উচিত।

৯. আমাৰ অনুমান অনুসৰি, **শিক্ষাৰ ক্ষেত্ৰত মুঠ ব্যয় হ'ল জিডিপি-ৰ প্ৰায় ৮%,** ইয়াৰে প্ৰায় **৩.৩%** চৰকাৰৰ আৰু **প্ৰায় ৪.৭% বেচৰকাৰী অনুষ্ঠানৰ**। ইয়াৰ ভিতৰত পৰে অসাহায্যপ্ৰাপ্ত স্কুল কলেজলৈ পুঁজিৰ যোগান + উৎকোচ আৰু কেপিটেশ্যন ফিজ + বিদেশত পঢ়া ছাত্ৰ-ছাত্ৰীলৈ ধন প্ৰেৰণ + টিউশ্যন ক্লাছ + কোচিং ক্লাছ + বেচৰকাৰী আইটি আৰু চফ্‌টৱেৰ প্ৰশিক্ষণ সংস্থা। এই বেচৰকাৰী পুঁজিকৰণৰ অধিকাংশ চহৰীয়া অঞ্চলৰ মাজতে সীমিত হৈ ৰয় য'ত মাত্ৰ ৩০% লোকে বাস কৰে।

Education 1st সম্বন্ধীয় পদক্ষেপ

১০. ১০ + ২ স্তৰ (প্ৰাক-বিশ্ববিদ্যালয়) সমাপ্ত কৰা **ছাত্ৰ-ছাত্ৰীৰ প্ৰায় ৭%-ৰ পৰা ৮%-এ** ভাৰতৰ ১৭,৯৬৩ খন কলেজত ভৰ্তি হয়। সকলো স্নাতকৰে ৭০% হ'ল বি.এ. অৰ্থাৎ কলা বিভাগৰ স্নাতক। কিন্তু এনে ডিগ্ৰীৰ জানো আজিৰ দিনত প্ৰাসঙ্গিকতা আছে? সেয়েতো **তথাকথিত স্নাতকসকলৰ অধিকাংশই** আজি নিবনুৱা।

১১. সমস্ত নতুন কৰ্মসংস্থানৰে প্ৰায় ৬০% সৃষ্টি হৈছে স্বনিয়োজনৰ ক্ষেত্ৰত। **নতুন কৰ্মসংস্থানৰ ১%** ওলাইছে চৰকাৰী খণ্ডত, **২%** বেচৰকাৰী 'সংগঠিত খণ্ড'-ত আৰু **৯৭%** 'অসংগঠিত খণ্ড'-ত।

১২. বৰ্তমানে **শিক্ষা, কৰ্মসংস্থান সৃষ্টি আৰু জীৱনৰ মানৰ মাজত সম্বন্ধ অতি সামান্য**।

১৩. নিয়োগকৰ্তাৰ সংস্থা, 'চেম্বাৰ্চ অব কমাৰ্চ' তথা অন্যান্য ব্যৱসায়িক সংস্থাসমূহ খণ্ড-বিখণ্ড হৈ আছে। ভাৰতত **''মানৱশক্তিৰ শিক্ষা আৰু প্ৰশিক্ষণ''**-ৰ বাবে কোনো **''ৰাষ্ট্ৰীয় উমৈহতীয়া ন্যূনতম কাৰ্যক্ৰম''** নাই। অধিকাংশ উন্নত আৰু উন্নয়নশীল দেশত **চেম্বাৰ্চ অব কমাৰ্চ**-এ (যি নিয়োগকৰ্তা আৰু ব্যৱসায়ৰ প্ৰতিনিধিত্ব কৰে) **এনে ক্ষেত্ৰত পথ দেখুৱায়**।

১৪. **প্ৰতি বছৰে প্ৰায় ২.৭ কোটি লোক** চলিত শিক্ষা পদ্ধতিৰ **সৈতে সংযোজিত হয়,** ইয়াৰ অৰ্থ প্ৰতি বছৰে আন এখন অষ্ট্ৰেলিয়া + হংকং + চিংগাপুৰ + ইউএই যোগ হোৱাৰ দৰে।

১৫. বৰ্তমানে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্যিক চৰকাৰসমূহ **বিত্তীয় ঘাটিত** চলি আছে, যাৰ পৰিমাণ হ'ল **জিডিপি-ৰ প্ৰায় ৯%-১১%**। গতিকে শিক্ষাৰ বাবে অতিৰিক্ত বিত্তীয় সাহায্যৰ ফলস্বৰূপে অকল বাজেটৰ ওপৰতে নহয়, বৰঞ্চ বৰ্তমানে পুঁজি আবন্টিত হৈ থকা অন্যান্য খণ্ডৰ ওপৰতো প্ৰচুৰ হেঁচা পৰিব।

১৬. ভাৰতৰ সমস্ত উচ্চতৰ আৰু কাৰিকৰী শিক্ষা চলাই আছে **'লাইচেন্স ৰাজ'**-এ। আহক, আমি ইউএচএ, জাৰ্মেনি আৰু জাপানৰ দৰে কৰি তোলো আমাৰ মানদণ্ড, বিশ্বৰ জিডিপি-ৰ প্ৰায় ৫০%-ৰ সৈতে এই তিনিখনেই হ'ল পৃথিৱীৰ সৰ্ববৃহৎ আৰ্থিক ক্ষমতাসম্পন্ন দেশ। ভাৰতৰ দৰেই এই কেইখন দেশৰ চৰকাৰেও বাৰু একে ধৰণেৰে নিয়ন্ত্ৰণ কৰেনে? আমি তেওঁলোকৰ পৰা শিকিব নোৱাৰোনে? উৎকৰ্ষ সাধনৰ বাবে এই দেশ কেইখনৰ শিক্ষা সংস্থাসমূহৰ মাজত আচলতে তুমুল প্ৰতিযোগিতা চলে।

১৭. **চীনদেশত** আছে প্ৰায় ৯০০ **খন বিশ্ববিদ্যালয়,** আনহাতে আমাৰ **ভাৰতত আছে ৩৬২ খন বিশ্ববিদ্যালয়**। **ইউএচএ** আৰু **জাপানত বিশ্ববিদ্যালয়** হ'ল যথাক্ৰমে **৩৬৫০** খন আৰু ৪০০০ খন।

১৮. ভাৰতত, স্কুল-কলেজ আৰু পাঠ্যক্ৰমৰ **ফিজ,** শিক্ষকৰ **দৰমহা,** শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বীৰ **নিযুক্তি** তথা **পাঠ্যক্ৰম** আদি বিভিন্ন বিষয়ে সিদ্ধান্ত লয় ৫৮ বা ততোধিক খন কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ শিক্ষা পৰিষদে। এনে ব্যৱস্থাই **নতুনত্ব, উৎকৃষ্টতা** বা **বিশ্ব স্তৰৰ** ছাত্ৰ-ছাত্ৰী সৃষ্টি কৰিব পাৰিবনে?

১৯. টিউশ্যন বা **কোচিং ব্যৱসায়,** এতিয়া **শিক্ষা ব্যৱসায়তকৈও** বেছি ডাঙৰ হৈ পৰিছে। আইআইটি, আইআইএম আৰু কেইখনমান প্ৰসিদ্ধ মেনেজমেন্ট স্কুলৰ প্ৰৱেশিকা পৰীক্ষাৰ বাবে আবেদনপত্ৰ আহে প্ৰায় ৬০০,০০০ খন, এনে ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যেকেই প্ৰি-কোচিঙৰ বাবে খৰচ কৰে প্ৰায় **২.০০ লাখ** টকাকৈ-অৰ্থাৎ ৬০০০ ছিটৰ বাবে এনে খৰচ হয়গৈ **১২,০০০ কোটি টকা** প্ৰতি বছৰে। আনহাতে এই প্ৰতিষ্ঠানসমূহে শিক্ষাদানৰ বাজেট হিচাপে খৰচ কৰে বছৰি খুব বেছি ৮০০-ৰ ১,১০০ কোটি টকা।

২০. যিক্ষেত্ৰত বিশ্বৰ উন্নত আৰু উন্নয়নশীল দেশসমূহৰ ৭৫%-ৰ পৰা ৮৫% যুৱক-যুৱতীয়ে ১৪-ৰ পৰা ৩৫ বছৰ বয়সৰ মাজত **ব্যৱসায়িক শিক্ষা আৰু**

প্ৰশিক্ষণৰ জৰিয়তে কোনো **কৌশল** বা **ব্যৱসায় বা কাৰিকৰীৰ** বিষয়ে শিকে, সেই ক্ষেত্ৰত ভাৰতত জনসংখ্যাৰ মাত্ৰ **২%-ৰ পৰা ৪%-** এহে এনে শিক্ষা লয়।

২১. ভাৰতত আছে প্ৰায় **৫১১৪** খন আইটিআই (শ্ৰম মন্ত্ৰালয়) তথা প্ৰায় ৬০০০ খন ব্যৱসায়িক স্কুল (এইচআৰডি মন্ত্ৰালয়), আনহাতে চীনদেশত আছে প্ৰায় **৫০০,০০০ খন উচ্চতৰ মাধ্যমিক ব্যৱসায়িক স্কুল**।

২২. ভাৰতত আছে ১৮-ৰ পৰা ৫০ বছৰ বয়সৰ মাজত ৩০ কোটি হৃষ্ট-পুষ্ট নিবনুৱা লোক, কিন্তু **তেওঁলোক কোনো শিল্প বা কলাত পটু নহয়,** সেয়ে তেওঁলোক কৰ্মসংস্থানৰ বাবে যোগ্য নহয়। অথচ ভাৰতৰ নিয়োগকৰ্তাসকলে **কাৰিকৰী বিদ্যা জনা মানৱশক্তিৰ প্ৰচণ্ড নাটনিৰ** সন্মুখীন হৈ আছে। কাৰিকৰী বিদ্যা জনা লোকৰ দৰমহা কোবাল গতিৰে বাঢ়িব ধৰিছে। আমাৰ যুৱক-যুৱতীসকলে যদি প্ৰয়োজনীয় আৰু মানসম্পন্ন শিক্ষা আৰু প্ৰশিক্ষণ গ্ৰহণ নকৰে, তেন্তে বিপুল জনসংখ্যাই আনি দিব পৰা সুবিধাৰ লাভ উঠাবলৈ আমাৰ দেশ সক্ষম নহব।

২৩. ভিইটি পৰিকল্পনা ৰাষ্ট্ৰীয় পৰ্যায়ত যিমান দূৰ জড়িত, সেই ক্ষেত্ৰত শ্ৰম মন্ত্ৰালয় আৰু এইচআৰডি মন্ত্ৰালয়ৰ মাজত **কোনো সমন্বয় সাধন আমাৰ পৰিলক্ষিত হোৱা নাই**।

২৪. আমি ভাৰতীয়সকলে এই কথাৰ গুৰুত্ব এতিয়াও বুজা নাই যে সদৌ বিশ্বজুৰি **শিক্ষা হ'ল আই.টি. বা চফ্‌টৱেৰতকৈ ৫ গুণ বা ৫০০% বৃহৎ**।

২৫. আজিৰ পৰা ১০-২০ বছৰৰ পাছত ইচ্ছা কৰিলে ভাৰত সদৌ বিশ্বৰ বাবেই **শিক্ষাৰ কেন্দ্ৰ** হৈ পৰিব পাৰিব আৰু বছৰি **১০০ বিলিয়ন আমেৰিকান ডলাৰ** উপাৰ্জন কৰিব পাৰিব। এই কাম আমি এতিয়াই আৰম্ভ কৰিব লাগিব, কিন্তু সৰ্বপ্ৰথমে আমি **'লাইচেন্স ৰাজ'** দূৰ কৰিব লাগিব, যিদৰে **১৯৯১ চনত ব্যৱসায়ৰ ক্ষেত্ৰত কৰা হৈছিল**। ভাৰতত আছে ৭,৭০০ বিদেশী ছাত্ৰ-ছাত্ৰী, আনহাতে অষ্ট্ৰেলিয়াত আছে ৩,৬৩,০০০ বিদেশী ছাত্ৰ-ছাত্ৰী।

২৬. **উচ্চতৰ আৰু কাৰিকৰী শিক্ষাত** থকা **'লাইচেন্স ৰাজ'**-ৰ বাবেই, অনুমান কৰা হৈছে প্ৰতি বছৰে বিদেশত পঢ়িবৰ বাবে প্ৰায় ১১০,০০০-ৰ পৰা ১২০,০০০ ছাত্ৰ-ছাত্ৰীয়ে ভাৰত এৰি যায়। যিকোনো সময়তে এনে ৩৫০,০০০ ছাত্ৰ-ছাত্ৰীৰ ফলস্বৰূপে ভাৰতৰ পৰা প্ৰতি বছৰে প্ৰায় ১০ বিলিয়ন আমেৰিকান ডলাৰ বা প্ৰায় ৪৬,০০০ কোটি টকাৰ বৈদেশিক মুদ্ৰা বাহিৰলৈ ওলাই যায়, অথচ এই ধন **প্ৰতি বছৰে ৪০ খন আইআইএম বা ২০ খন আইআইটি স্থাপনৰ বাবে যথেষ্ট**।

২৭. **সংৰক্ষণৰ বৰ্তমানৰ সমস্যাই** যুৱ সমাজৰ প্ৰয়োজনীয়তা আৰু আশা-আকাংক্ষাৰ সমাধান ঘটাব নোৱাৰে। বৃহৎ সংখ্যক শিক্ষা প্ৰতিষ্ঠান আৰু ছিট তথা উচ্চ আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত অতি উচ্চ মান-এয়ে হ'ল ভাৰতৰ আচল প্ৰয়োজনীয়তা। ৰেশ্যনিং, কোটা আৰু সংৰক্ষণ আদিয়ে ভাৰতৰ প্ৰকৃত পৰিস্থিতি কেতিয়াও উন্নত কৰি তুলিব নোৱাৰে। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে আনকি প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাবেও পুঁজিৰ ভালদৰে ব্যৱস্থা কৰিব পৰা নাই। ইয়াৰ সমাধান হ'ল **উচ্চ আৰু কাৰিকৰী শিক্ষাৰ জগতৰ পৰা সকলো ধৰণৰ নিয়ন্ত্ৰণ সম্পূৰ্ণৰূপে দূৰ কৰা;** যিদৰে ১৯৯১ চনত ব্যৱসায়ৰ ক্ষেত্ৰত লাইচেন্স দূৰ কৰা হৈছিল।

২৮. ১৯৪৭ চনৰ পৰাই আমি **ষ্টীল,** চিমেন্ট, **কালাৰ টিভি, এয়াৰলাইনৰ টিকেট, কাৰ, স্কুটাৰ** আদিৰ আবন্টনৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰি চালো আৰু অসফল হলো। **এই দিশৰ সমাধানত অৱশেষত সৰবৰাহ বৃদ্ধি আৰু নিয়ন্ত্ৰণহীন অৱস্থাইহে কেৱল অৰিহনা যোগালে**।

যদিহে **ভাৰত** এখন **জ্ঞানভিত্তিক অৰ্থব্যৱস্থাৰ** দেশ হোৱাতো আমি বিচাৰো, তেন্তে আমি নিম্নলিখিত কামখিনি কৰা দৰকাৰ:

১. পৰবৰ্তী ১০ বছৰত **সাক্ষৰতাৰ হাৰ ৯৫%-ৰ পৰা ১০০%-ৰ** মাজত কৰি তুলিবলৈ লক্ষ্য লোৱা হওক।

২. সমস্ত **প্ৰাথমিক বিদ্যালয়ৰ** পৰা নিয়ন্ত্ৰণ উঠাই ইয়াৰ পৰিচালনাৰ সৈতে **স্থানীয়** নিকায়, যেনে-পঞ্চায়ত, ভিলেইজ গ্ৰুপ, নগৰপালিকা আৰু স্থানীয় চিটিজেন গ্ৰুপ আদিক জড়িত কৰা হওক। **নিজা সমাজক পৰিচালনাৰ ভাৰ দিয়া হওক**।

৩. **'এড্যুকেশ্যন কুপন'-ৰ ব্যৱহাৰ তথা** স্কুলীয়া ল'ৰা ছোৱালীলৈ **ইয়াক জাৰি কৰাৰ কথা বিবেচনা কৰা হওক,** যাতে সিহঁতে নিজৰ পছন্দৰ স্কুল বাছি লব পাৰে তথা বৰ্তমানে চৰকাৰৰ দ্বাৰা চালিত গাওঁ আৰু চহৰৰ স্কুলসমূহলৈ আগবঢ়োৱা পুঁজি এই সকলোতে ভগাই দিয়া হওক। চাওক www.ccsindia.org।

৪. একাদশ শ্ৰেণীৰ পাছত, উচ্চ আৰু কাৰিকৰী শিক্ষাত থকা **'লাইচেন্স ৰাজ'** দূৰ কৰা হওক, যাতে শিক্ষাৰ ক্ষেত্ৰত নতুনত্ব, সৃষ্টিশীলতা আৰু উৎকৰ্ষতা দেখা পোৱা যায়। চাওক: www.epsfi.org।

৫. **সুনিশ্চিত কৰা হওক যাতে** ১৪-ৰ পৰা ৫০ বছৰ বয়সৰ মাজৰ আমাৰ জনসংখ্যাৰ **৮০%-ৰ পৰা ৯০%** লোকে কিবা নহয় কিবা প্ৰকাৰৰ কামত অহা **ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ** গ্ৰহণ কৰে। চাওক www.wakeupcall.org।

৬. ৫-ম শ্ৰেণীৰ পৰা ১২-শ শ্ৰেণীলৈকে **উদ্যোগ কৌশল শিক্ষা** (এণ্টাৰপ্ৰাইজ স্কিল্‌চ এড্যুকেশ্যন-ইএচডি) আৰম্ভ কৰিবলৈ অনুমতি দিয়া হওক। আচল পৃথিৱীখনত কাম কেনেকৈ চলে ইয়াৰ দ্বাৰা ল'ৰা-ছোৱালীহঁতে জানিব পাৰিব। ইয়াৰ বাবে প্ৰতি বছৰে মাত্ৰ ১০০ ঘন্টাৰ প্ৰয়োজন। ভাৰতৰ কৰ্মীদলৰ ৬০%-ৰো অধিক হ'ল স্বনিয়োজিত। চাওক: www.deispune.org।

৭. **সকলো উচ্চতৰ মাধ্যমিক স্কুলকে** ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানলৈ উন্নীত কৰা হওক আৰু সম্পূৰ্ণ সময় ধৰি পৰামৰ্শদাতা ৰখা হওক।

৮. **সকলো অংশীদাৰ** অৰ্থাৎ একাডেমিয়া-উদ্যোগ-ব্যৱসায়-আৰ এণ্ড ডি -চেম্বাৰ্চ অব কমাৰ্চ-ছাত্ৰ পৰিষদ-পিতৃ মাতৃৰ সংস্থা-চিভিল চচাইটি আৰু এনজিঅ' ইত্যাদিৰ মাজত সক্ৰিয় পাৰস্পৰিক সম্বন্ধ গঢ়ি তোলা হওক। **নিয়োগকৰ্তা আৰু ব্যৱসায়ৰ জগতক প্ৰতিনিধিত্ব কৰা চেম্বাৰ্চ অব কমাৰ্চক এই ক্ষেত্ৰত আগৰণুৱা হবলৈ দিয়া হওক**।

৯. উপৰোক্ত প্ৰথম খণ্ডৰ ক্ৰমাঙ্ক ৮-ত উল্লেখ কৰাৰ দৰে লক্ষ্যত উপনীত নোহোৱালৈকে, শিক্ষাৰ সকলো দিশতে **বেচৰকাৰী বিত্তযোগান আৰু অংশগ্ৰহণৰ বাবে** অনুমতি প্ৰদান কৰা হওক।

১০. পৰবৰ্তী ২০ বছৰৰ বাবে অথবা উপৰোক্ত প্ৰথম খণ্ডৰ ক্ৰমাঙ্ক ৮-ত উল্লেখিত মানদণ্ড লাভ নকৰালৈকে, বেচৰকাৰী আৰু এনআৰআই ফাণ্ডিঙৰ বাবে **কৰ বিৰতি আৰু উদগণিৰ** ব্যৱস্থা কৰা হওক।

i Watch

Edited, Published and Printed for *Education 1st* by Krishan Khanna. He is from IIT, Kharagpur. Between 1961 to 1992 he was responsible for 14 joint ventures and business partnerships with 14 different countries around the World. In 1993 he took 'Sanyas' from business for Nation Building and **Transforming INDIA**.

Krishan Khanna is Chairman - Vocational Education & Training Committee – **EPSI,** Educational Promotion Society of India, New Delhi. Co-Chairman - Committee on Education & Industry Co-operation, - **PHDCC&I,** New Delhi, Member - CII National Committee on Education, New Delhi, Director - Vocational Services, **Rotary International,** Rotary District 3140, Bombay Mid Town, Bombay, Member **Planning Commission** Committee on Secondary Education & Vocational Education, New Delhi, Member 11th Plan Committee of **IGNOU,** New Delhi, Advisor - Vocational Education & Training, Times Foundation, New Delhi, Member **FICCI** National Committee on Education, New Delhi, **ASSOCHAM** National Committee on Education, New Delhi, Member 11th Plan Working Group of the **Ministry of HRD,** New Delhi and Member of the Board of the **AICTE,** New Delhi. The views and opinions expressed are Krishan Khanna's personal views and some points may not be accepted by some or all of the above mentioned organizations.

Feedback & comments to *i Watch* 211, Olympus, Altamount Road, Mumbai 400 026. Email krishan@wakeupcall.org
Website: www.wakeupcall.org Tel +91 22 2353 5466 Fax +91 22 2353 6782. *Education 1st* is a division of *i Watch*

পাঠকসকললৈ বতৰা:- অনুগ্ৰহ এই কথাখিনি আপোনাৰ বন্ধু-বান্ধৱ, সহযোগী তথা স্থানীয় স্কুল-কলেজৰ অন্ততঃ এজন শিক্ষকক পঢ়িবলৈ দিয়ক।

Organizations which have supported us in the past

TIMES FOUNDATION THE TIMES GROUP · EPSI The Knowledge Vehicle · VOTE INDIA A NATIONAL CAMPAIGN FOR POLITICAL REFORMS IT IS TIME · IndianNGOs.com · hudco · IDFC · WORLD COUNCIL FOR CORPORATE GOVERNANCE · CMS · HDFC · TATA · shaadi.com The World's Largest Matrimonial Service · ROTARY INTERNATIONAL